**SET-4**

**Series BVM** **Code No. 14**

Roll No. [ ] [ ] [ ] [ ] [ ] [ ] [ ]

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **5** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **13** questions.
- **Please write down the Serial Number of the question before attempting it**.
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘন্টা* *সৰ্বমুঠ নম্বৰ : 100*

*Time allowed : 3 hours* *Maximum Marks : 100*

## SECTION A

**1.** (ক) (i) সাধ্যা ক্ৰিয়া কাক বোলে ? উদাহৰণসহ লিখা । *2*

(ii) সিদ্ধা ক্ৰিয়াক আন কি নামেৰে জনা যায় ? *1*

(iii) লগৰীয়া ক্ৰিয়া ব্যৱহাৰ কৰি এটা বাক্যৰচনা কৰা । *1*

(iv) দুটা পদ বা বাক্যক পৃথক কৰি দেখুওৱা অব্যয়টোৰ নাম লিখা । *1*

(v) আনুষঙ্গিক অব্যয় কাক বোলে ? উদাহৰণসহ লিখা । *2*

(vi) প্ৰশ্নবোধক অব্যয় ব্যৱহাৰ কৰি এটা বাক্যৰচনা কৰা । *1*

(খ) (i) অনুৰূপ শব্দ কাক বোলে ? উদাহৰণসহ লিখা । *2*

(ii) তলত দিয়া শব্দকেইটা ব্যৱহাৰ কৰি বাক্যৰচনা কৰা – *1+1=2*

পা-পইচা, তেল-কুৰ

(গ) তলত দিয়া শব্দবোৰত "ষ" হোৱাৰ কাৰণ দৰ্শোৱা । *1×3=3*

শুশ্ৰূষা, কষ্ট, প্ৰতিষ্ঠা

(ঘ) (i) দ্বন্দ্ব সমাস কাক বোলে ? ই কেইবিধ আৰু কিকি ? *2*

(ii) তলত দিয়া শব্দকেইটাৰ সমাস নিৰ্ণয় কৰা – *1×3=3*

বীনাপানি, দুপৰ, কাৰৈটিলিকা

(iii) ব্যাসবাক্য ভাঙি দেখুওৱা – *1×3=3*

নৰাধম, নীলাম্বৰ, দোমাহী

(ঙ) (i) শব্দবিভক্তি কেইটা আৰু কিকি ? *1*

(ii) তলত আঁচ টনা শব্দকেইটাৰ বিভক্তিৰ নাম লিখা – *1*

<u>ৰামে</u> হাঁহিছে ।

তেওঁ <u>সংগীতত</u> বিশাৰদ ।

(চ) মান্যাৰ্থত ব্যৱহাৰ কৰা বহুবচনৰ শব্দ দুটাৰে একোটাকৈ বাক্যৰচনা কৰা । *1+1=2*

(ছ) এটা শব্দত প্ৰকাশ কৰা – *1×4=4*

(i) যি কৰ্ত্তব্য স্থিৰ কৰিব নোৱাৰে –

(ii) যি নিয়ম মতে খৰচ নকৰে –

(iii) যাক বুজিব পাৰি –

(iv) যি কাৰো পক্ষৰ বা ফলীয়া নহয় –

(জ) বাক্যৰচনা কৰা – *1×4=4*

(i) কনাকনি কৰ

(ii) আঁঠু ল

(iii) চকুপকা

(iv) মুখলৈ চা

## SECTION B

**2.** ভাৱ বহলাই লিখা – (যিকোনো ***এটাৰ***) *5*

(ক) পৰিশ্ৰমী মানুহ লক্ষ্মীৰ বৰপুত্ৰ ।

(খ) তুমি নিজেই নিজৰ মিত্ৰ আৰু নিজেই নিজৰ শত্ৰু; আপোন ভালেই জগত ভাল ।

**3.** যিকোনো ***এটা*** বিষয় লৈ এখন ৰচনা লিখা – *10*

(ক) স্বদেশ প্ৰেম

(খ) ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতি : সমস্যা আৰু সম্ভাৱনা

(গ) তোমাৰ প্ৰিয় সাহিত্যিকজন

## SECTION C

**4.** তলত দিয়া যিকোনো ***এছোৱাৰ*** তাৎপৰ্য্য ব্যাখ্যা কৰা – *4*

(ক) ভাল বিদেশী নাটকৰ উৎকৃষ্ট ভাব সম্পদেৰে অসমীয়া সাহিত্যৰ সৌন্দৰ্য বঢ়োৱাটো অতি শোভন কথা

(খ) “মগনিয়াৰ” শীৰ্ষক কথা-কবিতাটোৰ সাৰাংশ লিখা ।

**5.** (ক) কথা-কবিতা কাক বোলে ? ইয়াৰ লক্ষণসমূহ লিখা । *6*

**নাইবা**

(খ) মহাপুৰুষৰ পদাংক অনুসৰণ কৰি মানুহে কেনেদৰে নিজক পৰিচালিত কৰিব পাৰে “আনন্দ ৰাম বৰুৱা” পাঠটিৰ আধাৰত বুজাই লিখা ।

**6.** (ক) বৰ্তমান সময়ত চিঠিৰ প্ৰাসঙ্গিকতা কিয় কমি গ’ল ? *2*

(খ) চমু টোকা লিখা – *2+2=4*

(i) উপেন্দ্ৰ চন্দ্ৰ লেখাৰু

(ii) জোনাকী

**7.** তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা – *1×4=4*

(ক) ৰাম মোহন ৰায়ৰ স্মৃতি সভাত কোন মহিলাই বক্তৃতা দিছিল ?

(খ) আনন্দৰাম বৰুৱাৰ কাম আৰু সংকল্প দেখি কোনে বিসয় মানিছিল ?

(গ) অসমীয়া ভাষাত কোনে প্ৰথমতে কথাকবিতা ৰচনা কৰিছিল ?

(ঘ) প্ৰশান্ত শৰ্মাৰ মৃত্যুৰ খবৰটো ভূদেৱ চৌধুৰীক কোনে দিছিল ?

**8.** প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা – (যিকোনো ***এটাৰ***) *4*

(ক) তেঁৱে কাম তেঁৱে কৰ্মী তেৱেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেঁৱে বিশ্ব খনিকৰ ॥

(খ) আঘোণৰ কুঁৰলীত ধাননি লুকালে
আঘোণৰ কুঁৰলীয়ে দাৱনী ঢাকিলে
আঘোণৰ কুঁৰলীতে সেউতী হেৰালে
ডাঙৰি বান্ধিম বুলি তৰী-জৰী তোলাতে থাকিল...

**9.** (ক) "জণতাৰ আহ্বান" কবিতাটোৰ মূলভাৱ লিখা । *6*

**নাইবা**

(খ) "বিশ্বখনিকৰ" কবিতাটোৰ মাজেৰে কবিয়ে কি ভাৱ প্ৰকাশ কৰিছে ?

**10.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা – *1×4=4*

(ক) "খনিকৰ" শব্দৰ অৰ্থ কি ?

(খ) কোন দুগৰাকী কবিৰ গীতৰ লগত মাধৱদেৱৰ বৰগীতৰ তুলনা কৰিব পাৰি ?

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাই 1939 চনত নিৰ্মান কৰা কথাছবিখনৰ নাম লিখা ।

(ঘ) কেশৱ মহন্তই শিশুৰ বাবে ৰচনা কৰা এখন পুথিৰ নাম লিখা ।

**11.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা – *2×3=6*

(ক) অসমীয়া কবিতাৰ আধুনিক যুগৰ আৰম্ভনিৰ বিষয়ে চমুকৈ লিখা ।

(খ) অসমীয়া সাহিত্য-সংস্কৃতিলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদানৰ বিষয়ে লিখা ।

(গ) সত্ত্বঃ, ৰজঃ, তমো গুণ কি বুজাই লিখা ।

**12.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা – *2×3=6*

(ক) সৰ্বভাৰতীয় ভিত্তিত "মূল্যবোধ" ৰ পাঠ পাঠসূচীত অন্তৰ্ভুক্ত কৰাৰ কাৰণ কি বুলি ভাবা ?

(খ) প্ৰয়োগবাদী দাৰ্শনিক সকলে মূল্যবোধ সম্পৰ্কে কি মত প্ৰকাশ কৰিছে ?

(গ) "মূল্যবোধ"ক প্ৰধানকৈ কেইটা প্ৰকাৰত ভাগ কৰা হৈছে ?

**13.** অতি চমুকৈ উত্তৰ দিয়া – *1×4=4*

(ক) "মূল্যবোধ"ৰ ত্ৰিনীতি বুলিলে কি বুজা ?

(খ) ভাৰতবৰ্ষৰ প্ৰাচীন শিক্ষা ব্যৱস্থা কেনে আছিল ?

(গ) "মোক্ষ" বুলিলে কি বুজা ?

(ঘ) মানৱ জীৱনৰ তিনিটা মূল মূল্যবোধ কি কি ?